IIHMR DELHI | INTERNATIONAL INSTITUTE OF HEALTH MANAGEMENT RESEARCH

# Publication : Dainandin Barta
# Date : 22-12-16
# Page : 1



IIHMR DELHI

INTERNATIONAL INSTITUTE OF
HEALTH MANAGEMENT RESEARCH

Publication : Amar Asom

Date : 22-12-16

Page : 12

Caption : Dr Ashok Agarwal, Dean of IIHMR, Delhi, addressing a press conference at Guwahati on Wednesday




সংবাদ মেল সম্বোধনৰ মুহূৰ্তত দিল্লীৰ আই আই এইচ এম আৰৰ ডীন ডাঃ অশোক আগৰৱাল। গুৱাহাটীত, বুধবাৰে

**Publication : Asomiya Khabar**
**Date : 22-12-16**
**Page : 8**
**Headline : IIHMR recommends more investment in the Assam's health sector**

# স্বাস্থ্য বাজেটত ধন আবণ্টন বৃদ্ধিৰ পোষকতা আই আই এইচ এম আৰৰ

মহানগৰ খবৰ, ২১ ডিচেম্বৰ : 'অসমে স্বাস্থ্য সূচকাংকৰ দিশেৰে অগ্ৰগতি লাভ কৰিলেও বিশেষকৈ গ্ৰাম্য স্বাস্থ্যৰ যতনত শিশু আৰু মহিলাৰ স্বাস্থ্য সেৱাৰ মানৰ বিকাশ সাধন কৰিবলৈ বৰ্তমানৰ স্বাস্থ্য সেৱা সবলীকৰণত অধিক গুৰুত্ব দিব লাগিব।' এই মন্তব্য কৰে দিল্লীৰ ইণ্টাৰনেচনেল ইনষ্টিটিউট অব হেলথ মেনেজমেণ্ট ৰিচাৰ্ছৰ ডীন ডাঃ অশোক কে আগৰৱালে। আজি গুৱাহাটীত আয়োজিত এক সংবাদমেলযোগে এই বিষয়ে সদৰী কৰি তেওঁ কয় : চতুৰ্থ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা মতে অসমে স্বাস্থ্য সূচকাংকৰ উন্নীতকৰণেৰে সাফল্য লাভ কৰিছে যদিও সাম্প্ৰতিক প্ৰেক্ষাপটত ৰাজ্যৰ স্বাস্থ্য খণ্ডত আৰু অধিক বিকাশৰ প্ৰয়োজনীয়তা আছে। তৃতীয় সমীক্ষাৰ ২৩.৫ শতাংশৰ বিপৰীতে চতুৰ্থ সমীক্ষাত গৰ্ভাৱস্থাকালীন পৰীক্ষাৰ হাৰ ৪৬.৫ শতাংশলৈ বৃদ্ধি পাইছে যদিও এই বিকাশৰ হাৰ আৰু দুগুণ ত্বৰান্বিত কৰাৰ অৱকাশ আছে। ইপিনে ডীনগৰাকীয়ে ৰাজ্যৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ২২ শতাংশ, সামূহিক স্বাস্থ্য কেন্দ্ৰত ৪৩ শতাংশ চিকিৎসকৰ অভাৱ আছে বুলিও মন্তব্য কৰে। তদুপৰি ডাঃ আগৰৱালে কয় যে ৰাজ্যখনৰ মাতৃ আৰু শিশুৰ স্বাস্থ্য সেৱা উন্নীত কৰিবলৈ পৰৱৰ্তী পাঁচটা বছৰৰ বাবে ৰাজ্যৰ বাজেটত স্বাস্থ্য শিতানত আবণ্টন বৰ্তমানৰ দুগুণ কৰিবলৈও পৰামৰ্শ আগবঢ়ায়। লগতে তেওঁ কয় যে সম্প্ৰতি নগৰীয়া ৫০ শতাংশ লোকেই ব্যক্তিগত খণ্ডৰ হস্পিতালৰ ওপৰত নিৰ্ভৰশীল হয় আৰু এই বিষয়টো তৎকালে সমাধান কৰাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে।

INTERNATIONAL INSTITUTE OF
HEALTH MANAGEMENT RESEARCH

অসমীয়া প্ৰতিদিন

Publication : Asomiya Pratidin

Date : 22-12-16

Page : 15

Headline : IIHMR recommends improvement in Assam's health sector

# অসমৰ স্বাস্থ্য সেৱা খণ্ডত গুৰুত্ব আই আই এইচ এম আৰৰ

## ৰাজ্যৰ স্বাস্থ্য বাজেটত আবণ্টন দুগুণ কৰাৰ পৰামৰ্শ



প্ৰতিদিন বাণিজ্য সংবাদ ঃ স্বাস্থ্য সূচকাংকৰ দিশেৰে অগ্ৰগতি লাভ কৰিলেও বিশেষকৈ গ্ৰাম্য স্বাস্থ্যৰ যতনত শিশু আৰু মহিলাৰ মানৰ তাৎপৰ্যপূৰ্ণ বিকাশ সাধন কৰিবলৈ অসমে বৰ্তমানৰ স্বাস্থ্য সেৱা সবলীকৰণত অধিক গুৰুত্ব দিব লাগিব।— গুৱাহাটীৰ হোটেল লেণ্ডমাৰ্কত বুধবাৰে আয়োজিত এখন সংবাদমেলত এই মন্তব্য কৰে দিল্লীৰ ইণ্টাৰনেচনেল ইনষ্টিটিউট অব্ হেল্থ মেনেজমেণ্ট ৰিছাৰ্চ (আই আই এইচ এম আৰ)ৰ ডীন ডাঃ অকোশ কে আগৰৱালে। চতুৰ্থ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষামতে অসমে স্বাস্থ্য সূচকাংকৰ উন্নীতকৰণেৰে সাফল্য লাভ কৰিছে যদিও সাম্প্ৰতিক প্ৰেক্ষাপটত ৰাজ্যৰ স্বাস্থ্য খণ্ডত আৰু অধিক বিকাশৰ প্ৰয়োজনীয়তা আছে। উদাহৰণস্বৰূপে তৃতীয় সমীক্ষাৰ ২৩.৫ শতাংশৰ বিপৰীতে চতুৰ্থ সমীক্ষাত গৰ্ভাৱস্থাকালীন পৰীক্ষাৰ হাৰ ৪৬.৫ শতাংশলৈ বৃদ্ধি পাইছে যদিও এই বিকাশৰ হাৰ আৰু দুগুণ ত্বৰান্বিত কৰাৰ অৱকাশ আছে।

২০০৬-০৭ চনত ৭ গৰাকীৰ ভিতৰত এগৰাকী মহিলাই গৰ্ভাৱস্থা উত্তৰ সেৱা লাভ কৰাৰ বিপৰীতে এতিয়া দুগৰাকী নাৰীৰ ভিতৰত এগৰাকীয়ে এই সেৱা লাভ কৰিছে, তৎসত্ত্বেও এই সেৱা আধাসংখ্যক মহিলাই লাভ কৰিবলৈ সক্ষম হোৱা নাই বুলি তেওঁ মন্তব্য কৰে। ডাঃ আগৰৱালে আৰু কয় যে ৰাজ্যখনৰ মাতৃ আৰু শিশুৰ স্বাস্থ্য সেৱা উন্নীত কৰিবলৈ এনে সবলীকৰণ সেৱাৰ বাবে প্ৰয়োজন অতিৰিক্ত সম্পদ, ধন আদি। সেয়ে আই আই এইচ এম আৰে অসমৰ প্ৰাথমিক আৰু আনুষংগিক (ছেকেণ্ডাৰী) স্বাস্থ্য সেৱা খণ্ডত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ নিৰ্দেশাৱলী অনুসৰি স্বাস্থ্যকৰ্মী নিয়োগৰ পৰামৰ্শ আগবঢ়ায়। তদুপৰি পৰৱৰ্তী পাঁচটা বছৰৰ বাবে ৰাজ্যৰ বাজেটত স্বাস্থ্য শিতানত আবণ্টন বৰ্তমানৰ দুগুণ কৰিবলৈও পৰামৰ্শ আগবঢ়ায়। তেওঁ আৰু কয় যে ব্যক্তিগত খণ্ডৰ হাস্পতালৰ ওপৰত নগৰীয়া ৫০ শতাংশ লোকেই নিৰ্ভৰশীল আৰু এই বিষয়টো তৎকালে মোকাবিলা কৰাৰ প্ৰয়োজন।

INTERNATIONAL INSTITUTE OF
HEALTH MANAGEMENT RESEARCH

*Publication : Dainik Asam*
*Date : 22-12-16*
*Page : 7*
*Headline : Doctor anixious about the poor condition of Assam's health sector*

দৈনিক অসম, গুৱাহাটী, ২২ ডিচেম্বৰ, ২০১৬ (সাত)



# স্বাস্থ্য খণ্ডৰ শোচনীয় অৱস্থাত উদ্বিগ্ন চিকিৎসক

মহানগৰ বাতৰি সেৱা

**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** 'চিকিৎসা প্ৰতিষ্ঠানসমূহত উপযুক্ত ব্যৱস্থাপনাৰ অভাৱৰ বাবেই এতিয়াও অসমৰ স্বাস্থ্যখণ্ডৰ অৱস্থা শোচনীয় হৈ আছে।' এই মন্তব্য নতুন দিল্লীৰ ইণ্টাৰনেচনেল ইন্‌ষ্টিটিউট অব হেল্‌থ মেনেজমেণ্ট ৰিছাৰ্ডৰ ডীন ডাঃ অশোক কুমাৰ আগৰৱালাৰ। আজি মহানগৰীৰ 'হোটেল লেণ্ডমাৰ্ক'ত এখন সংবাদমেলত ডাঃ আগৰৱালাই কয়, ৰাজ্যৰ অধিকাংশই গ্ৰামাঞ্চলত বসবাস কৰে। কিন্তু সেই হিচাপত গ্ৰামাঞ্চলৰ প্ৰায়ভাগ চিকিৎসালয়তে উপযুক্ত ব্যৱস্থাপনাৰ অভাৱ ঘটিছে। চিকিৎসালয় ব্যৱস্থাপনাৰ ক্ষেত্ৰত বহু সময়ত উপযুক্ত সমল ব্যক্তিৰ অভাৱৰ বাবেই এই সমস্যা অধিক জটিল হৈ পৰিছে বুলি উল্লেখ কৰি প্ৰতিষ্ঠানটোৰ ডীন ডাঃ আগৰৱালাই তেওঁলোকৰ প্ৰতিষ্ঠানটোৱে দুবছৰীয়া চিকিৎসালয় ব্যৱস্থাপনা বিষয়ত আগবঢ়োৱা স্নাতকোত্তৰ ডিপ্ল'মাৰ কথাও উল্লেখ কৰে। প্ৰতিষ্ঠানটোৱে আগবঢ়োৱা এই দুবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰমত চিকিৎসালয় ব্যৱস্থাপনা, স্বাস্থ্য ব্যৱস্থাপনা আৰু স্বাস্থ্য তথ্য-প্ৰযুক্তি ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিশেষ পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰিব বুলিও তেওঁ লগতে কয়। সংবাদমেলত অংশ লৈ প্ৰতিষ্ঠানখনত বৰ্তমানে অধ্যয়নৰত সন্ধ্যামিকা দেৱী নামৰ ছাত্ৰীগৰাকীয়েও প্ৰতিষ্ঠানটোৱে আগবঢ়োৱা ডিপ্ল'মা পাঠ্যক্ৰমটো সম্পৰ্কত নিজৰ মতামত আগবঢ়ায়। প্ৰতিষ্ঠানটোৰ ডীন ডাঃ আগৰৱালাই স্নাতক মহলাৰ যিকোনো শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে এই পাঠ্যক্ৰমটোৰ সুবিধা গ্ৰহণ কৰিব পৰাৰ লগতে পাঠ্যক্ৰমটোৰ শেহত নিয়োগৰো যথেষ্ট সুবিধা আছে বুলি উল্লেখ কৰে।